# প্ৰাথমিক শিক্ষাৰ গুণগত বিকাশ আৰু গুণোৎসৱ ঃ

## হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়,নিতাইপুখুৰীৰ কাষৰীয়া অঞ্চলত অৱস্থিত নিম্ন প্ৰাথমিক বিদ্যালয়ত এক ক্ষেত্ৰ ভিত্তিক অধ্যয়ন

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ষষ্ঠ ষাণ্মাসিকৰ সন্মান বিষয়ৰ দ্বাদশ কাকতৰ
( Course - 602 ) অন্তৰ্ভুক্ত ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ প্ৰতিবেদন
(স্নাতক উপাধিৰ বাবে প্ৰেৰিত প্ৰতিবেদন )
২০১৯ বৰ্ষ

poli Konwar
10/5/19 (External)


প্ৰস্তুতকৰ্তা : শ্ৰীমতী [illegible] দত্ত

নাম :

শ্ৰেণী : ষষ্ঠ ষাণ্মাসিক

ৰোল নং : 26410036

ৰেজিষ্ট্ৰেচন নং : S1C18396

তত্বাৱধায়ক

নাম : ড° [illegible] দত্ত

শিক্ষা বিভাগ -
হেম চন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়
নিতাইপুখুৰী,শিৱসাগৰ।

# প্ৰমাণ পত্ৰ

"প্ৰাথমিক শিক্ষাৰ গুণগত বিকাশ আৰু গুণোৎসৱ ঃ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰীৰ কাষৰীয়া অঞ্চলত অৱস্থিত নিম্ন প্ৰাথমিক বিদ্যালয়ত এক ক্ষেত্ৰভিত্তিক অধ্যয়ন" শিক্ষা বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ/ছাত্ৰী ..................বৃষ্টি ৰেখা দত্ত............ য়ে সম্পন্ন কৰে আৰু দ্বাদশ কাকতৰ (কাকত - ৬০২) উপযোগীকৈ প্ৰস্তুত কৰি শিক্ষা বিভাগত স্নাতক উপাধিৰ কাৰণে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষককলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

বিভাগীয় মুৰব্বী
শিক্ষাতত্ব বিভাগ

Head
Deptt. of Education
H.C.D.G. College, Nitaipukhuri

# প্ৰমাণ পত্ৰ

"প্ৰাথমিক শিক্ষাৰ গুণগত বিকাশ আৰু গুণোৎসৱ ঃ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰীৰ কাষৰীয়া অঞ্চলৰ নিম্ন প্ৰাথমিক বিদ্যালয়ত এক ক্ষেত্ৰভিত্তিক অধ্যয়ন" সম্পৰ্কে এক ক্ষেত্ৰভিত্তিক অধ্যয়ন মোৰ তত্বাৱধানত শিক্ষা বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰী ......বৃষ্টিৰেখা দত্ত...... য়ে সম্পন্ন কৰে আৰু দ্বাদশ কাকতৰ (কাকত - ৬০২) উপযোগীকৈ এখন প্ৰতিবেদন প্ৰস্তুত কৰি শিক্ষা বিভাগত স্নাতক উপাধিৰ কাৰণে দাখিল কৰে।

এই প্ৰতিবেদন বিশেষজ্ঞ পৰীক্ষকলৈ মূল্যায়নৰ বাবে আগবঢ়োৱা হ'ল।

লীনা দত্ত
তত্বাৱধায়ক
শিক্ষাতত্ব বিভাগ

HCDG COLLEGE
Department of Education
NITAIPUKHURI

# ঘোষণা পত্ৰ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ শিক্ষাতত্ব বিভাগৰ শিক্ষাগুৰুসকলৰ তত্বাৱধানত সম্পাদন কৰা ক্ষেত্ৰভিত্তিক অধ্যয়ন "প্ৰাথমিক শিক্ষাৰ গুণগত বিকাশ আৰু গুণোৎসৱ ঃ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়, নিতাইপুখুৰীৰ কাষৰীয়া অঞ্চলৰ নিম্ন প্ৰাথমিক বিদ্যালয়ত এক ক্ষেত্ৰভিত্তিক অধ্যয়ন" মোৰ নিজা অভিজ্ঞতাৰে নিৰ্বাচিত ক্ষেত্ৰলৈ গৈ সংগ্ৰহ কৰা তথ্যসামগ্ৰীৰ ওপৰত ভিত্তি কৰি এখন প্ৰতিবেদন প্ৰস্তুত কৰি সম্পন্ন কৰা হৈছে আৰু প্ৰতিবেদনখনি শিক্ষাতত্ব বিভাগলৈ স্নাতক উপাধিৰ কাৰণে দাখিল কৰে ।

শ্ৰীমতী স্মৃতিৰেখা দত্ত

অনুসন্ধানকাৰী ছাত্ৰ-ছাত্ৰীৰ স্বাক্ষৰ

HoD

# কৃতজ্ঞতা পত্ৰ

পোনপ্ৰথমে ক্ষেত্ৰভিত্তিক অধ্যয়নত মোক বিভিন্ন দিশত সহায় কৰা ....................লীনা দত্ত.................................... ক আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু মুৰব্বী অধ্যাপিকাৰ লগতে বিভাগীয় অধ্যাপিকাসকললৈ মোৰ বিশেষ কৃতজ্ঞতা আগবঢ়াইছোঁ।

এই অধ্যয়নত নমুনাৰূপী নিতাইপুখুৰী অঞ্চলত নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰয়োজনীয় তথ্যসামগ্ৰী যোগান ধৰাৰ কাৰণে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত, প্ৰতিবেদন প্ৰস্তুত কৰোতে সহায় কৰা বন্ধুবৰ্গক মোৰ তৰফৰপৰা ধন্যবাদ জনালোঁ।

শ্ৰীমতী বৃষ্টিৰেখা দত্ত

অনুসন্ধানকাৰী ছাত্ৰ-ছাত্ৰীৰ স্বাক্ষৰ

# প্ৰমাণ পত্ৰ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ষষ্ঠ ষান্মাসিকৰ শিক্ষাতত্ত্ব বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ সন্মান বিষয়ৰ দ্বাদশ কাকতৰ বাবে প্ৰয়োজন হোৱা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ উদ্দেশ্যেৰে আমাৰ বিদ্যালয়ত ২৬-০৪-২০১৯ তাৰিখে উপস্থিত হৈ প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰে।

Bsenchowa

প্ৰধান শিক্ষক

Headmistress
DOPANI HIGH SCHOOL
Provincialised

ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বিষয়সূচীসমূহ তলত উল্লেখ কৰা হ'ল —

## বিষয়সূচী :


প্ৰমাণ পত্ৰ

ঘোষণা পত্ৰ

কৃতজ্ঞতা পত্ৰ


**প্ৰধান শিতান :** — পৃষ্ঠা নং


১.০ শিৰোনাম — ১

২.০ উদ্দেশ্যাৱলী — ১
১

৩.০ অধ্যয়নৰ পটভূমি — ৫

৪.০ পদ্ধতি — ৮

৫.০ অধ্যয়নৰ ফলাফল

৫.১ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ বিদ্যায়তনিক আৰু সহবিদ্যায়তনিক দিশত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি আৰু অংশগ্ৰহণ সম্পৰ্কে বিশ্লেষণ

৫.২ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ আন্তঃগাঁথনি আৰু অন্যান্য সা-সুবিধাৰ উপলব্ধতা আৰু ব্যৱহাৰ সম্পৰ্কে বিশ্লেষণ

৫.৩ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ সমাজৰ অংশগ্ৰহণ সম্পৰ্কে বিশ্লেষণ

৬.০ সামৰণি — ১৭

সহায়ক গ্ৰন্থপঞ্জী

আলোকচিত্ৰ

প্ৰশ্নসূচী

1.0 শিৰোনাম (Title) :

প্ৰাথমিক শিক্ষাৰ উন্নত বিকাশ আৰু প্ৰতিবন্ধকতা : হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ, নিতাইপুখুৰী কাষৰীয়া অঞ্চলত অৱস্থিত নিম্ন প্ৰাথমিক বিদ্যালয়ত এক ক্ষেত্ৰভিত্তিক অধ্যয়ন ।

2.0 উদ্দেশ্যাৱলী (objectives) :

ক্ষেত্ৰভিত্তিক অধ্যয়নৰ মুখ্য উদ্দেশ্য হৈছে –

১/ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ কাষৰীয়া অঞ্চলত অৱস্থিত নিম্ন প্ৰাথমিক বিদ্যালয়ত বিদ্যায়তনিক দিশত আৰু সহঃ বিদ্যায়তনিক দিশত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি আৰু অংশগ্ৰহণ অধ্যয়ন কৰা ।

২/ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ কাষৰীয়া অঞ্চলত অৱস্থিত নিম্ন প্ৰাথমিক বিদ্যালয়ৰ উন্নত বিকাশত আন্তঃগাঁথনি তথা অন্যান্য সা-সুবিধাৰ উপলব্ধতা আৰু ব্যৱহাৰ সম্পৰ্কে অধ্যয়ন কৰা ।

৩/ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ কাষৰীয়া অঞ্চলত অৱস্থিত নিম্ন প্ৰাথমিক বিদ্যালয়ৰ উন্নত বিকাশত সমাজৰ অংশগ্ৰহণ অধ্যয়ন কৰা ।

3.0/ অধ্যয়নৰ পটভূমি (Background of the study) :

প্ৰাথমিক শিক্ষা হৈছে লৰা-ছোৱালীৰ শিক্ষা জীৱনৰ এক গুৰুত্বপূৰ্ণ স্তৰ । দেশৰ নিৰক্ষৰতা দূৰ কৰাত আৰু লৰা-ছোৱালীৰ সু-ব্যক্তিত্ব গঠন কৰাত প্ৰাথমিক

শিক্ষাই উল্লেখযোগ্য ভূমিকা পালন কৰে। সেয়ে প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ড উন্নয়ন সাধন অতি প্ৰয়োজনীয়। এই উদ্দেশ্যে ভাৰতৰ সকলো ৰাজ্যতে প্ৰাথমিক শিক্ষাৰ গুণমান বৃদ্ধিৰ কাৰণে শিক্ষা আয়োগসমূহে পৰামৰ্শ প্ৰদান কৰি আহিছে।

শিক্ষাৰ গুণমান বুলিলে বিদ্যালয়ৰ আন্তঃগাঁথনি, শিক্ষাদানৰ মানদণ্ড, শিক্ষণ সঁজুলিৰ সুবিধা, নিৰাপদ আৰু অনুকূল শিক্ষণ পৰিৱেশ, সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলীৰ সা-সুবিধা ইত্যাদি কাৰকক বুজায়। গুণগত শিক্ষাই শিশুক জীৱনৰ কাৰণে প্ৰস্তুত কৰে। গুণগত শিক্ষাই লিংগ, বৰ্ণ, নৃগোষ্ঠীগত, আৰ্থ-সামাজিক প্ৰস্থিতি বা ভৌগোলিক স্থান নিৰ্বিশেষে সকলো শিশুৰ সামাজিক, আৱেগিক, মানসিক, শাৰীৰিক আৰু সংজ্ঞানাত্মক বিকাশ সাধন কৰে। গুণমান শিক্ষাইহে ব্যক্তি, সম্প্ৰদায় আৰু সমাজৰ কাৰণে প্ৰয়োজনীয় ফলশ্ৰুতি আনবোৱায়, উন্নয়নশীল বিশ্বৰ এখন আদৰ্শ দেশ হিচাপে ভাৰতে সৰ্বশিক্ষা অভিযান, সংহত শিশু বিকাশ আঁচনি, মধ্যাহ্ন ভোজন আঁচনি আদিৰ জৰিয়তে প্ৰাথমিক শিক্ষাৰ উন্নয়নৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰি আহিছে।

ৰাষ্ট্ৰীয় শিক্ষানীতি 1986 ৰ বিদ্যালয়সমূহত অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ পৰামৰ্শ আগবঢ়াইছিল। ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ গাঁথনি, 2000 য়ে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক কৃতিত্ব নিৰ্ধাৰণ কৰিবলৈ অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ

পৰামৰ্শ দাবি কৰিছিল, এই উদ্দেশ্যে ভাৰতৰ বিদ্যালয় শিক্ষাব্যৱস্থা মূল্যায়নৰ ভিত্তিত জনসাধাৰণৰ মাজত শিক্ষাৰ গুণমান সম্পৰ্কে সজাগতা আনিবলৈ পদক্ষেপ গ্ৰহণ কৰিবা কৰা হৈছে। শিক্ষাৰ অধিকাৰ আইন ২০০৯ য়ে প্ৰাথমিক শিক্ষাৰ গুণমান বৃদ্ধিৰ কাৰণে ৬-১৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীয়ে গুণগত, সৰ্বাত্মক আৰু শিশু উপযোগী শিক্ষা প্ৰদানত গুৰুত্ব দিছিল। ৰাষ্ট্ৰসংঘৰ বিকাশ কাৰ্যসূচী (UNDP) ৰ অধীনত বহনক্ষম বিকাশৰ লক্ষ্যত ২০৩০ চনৰ ভিতৰত ল'ৰা-ছোৱালীয়ে বিনামূলীয়া, সমতা আৰু গুণসম্পন্ন প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ ভিত্তিত প্ৰাসংগিক আৰু ফলপ্ৰসূ শিকন ফলাফলৰ ওপৰত গুৰুত্ব দিছিল। ইয়াৰ ফলশ্ৰুতিত ২০০৯ চনত গুজৰাটত প্ৰথমবাৰৰ বাবে প্ৰাথমিক শিক্ষা মূল্যায়নৰ উদ্দেশ্যে "গুণোৎসৱ" শীৰ্ষক এলানি মূল্যায়ন প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। অসমত শিক্ষাবৰ্ষ 2017 চনৰ পৰা প্ৰাথমিক শিক্ষাৰ গুণগত মূল্যায়নৰ কাৰণে 'গুণোৎসৱ' এটি গুণগত পদক্ষেপ' নামেৰে এক কাৰ্যসূচী হাতে পৰ্যায়ত ৰূপায়ণ কৰা হৈছে। বিদ্যালয়ৰ স্ব-মূল্যায়ন আৰু বহিঃ মূল্যায়নৰ ভিত্তিত অসমৰ সকলো চৰকাৰী বিদ্যালয়, প্ৰাদেশীকৃত বিদ্যালয়, চাহ-বাগিচা পৰিচালিত বিদ্যালয়, মুগা বিদ্যালয় আৰু মাধ্যমিক বিদ্যালয় গুণোৎসৱৰ আওতালৈ কৰা হৈছে। অসমত

Signature

প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা ব্যৱস্থাত উন্নত শিক্ষণ কলাকৌশলসমূহ ওলমানসকলৰ শিক্ষা সুনিশ্চিত কৰাত ওলোৱাসমূহে বিশেষ ভূমিকা পালন কৰিছে।

উক্ত অধ্যয়নটো শিৱসাগৰ জিলাৰ জিমোৰ পৰা 10 কি.মি দূৰত অৱস্থিত বুৰঞ্জীয়ে পৰশা নিতাইপুখুৰী অঞ্চলত 1965 চনত স্থাপিত হোৱা হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ কাষৰীয়া অঞ্চলত অৱস্থিত নিম্ন প্ৰাথমিক বিদ্যালয়ত কৰা হৈছে। বৃহত্তৰ নিতাইপুখুৰী অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠানখনত অধ্যয়নৰত বহুসংখ্যক ছাত্ৰ-ছাত্ৰীসকলে প্ৰাথমিক শিক্ষা নিৰ্বাচিত প্ৰাথমিক বিদ্যালয়সমূহতে আৰম্ভ কৰে। সেয়ে নিম্ন প্ৰাথমিক বিদ্যালয়সমূহত উক্ত অধ্যয়নটি সম্পাদন কৰিলে ছাত্ৰ-ছাত্ৰীৰ আনুষ্ঠানিক শিক্ষা-জীৱনৰ প্ৰাৰম্ভিক পৰ্যায়ৰ শিক্ষাৰ বিষয়ে তথ্য আহৰণ কৰিব পৰা যাব। উক্ত তথ্যসমূহে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নক উপকৃত কৰিব। সেয়ে অধ্যয়নটিৰ বাবে নিতাইপুখুৰী কাষৰীয়া অঞ্চলসমূহৰ প্ৰাথমিক বিদ্যালয়সমূহ নিৰ্বাচিত কৰি লোৱা হৈছে। হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ কাষৰীয়া অঞ্চলৰ ২৭ টা cluster ৰ অন্তৰ্গত নিম্ন প্ৰাথমিক বিদ্যালয়সমূহ নিৰ্বাচন কৰি লোৱা হয়।

Mfri

## 4.0 পদ্ধতি (Methodology) :

ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰোঁতে বৰ্ণনামূলক পদ্ধতি ব্যৱহাৰ কৰা হৈছে, শিৱসাগৰ জিলাৰ নিতাইপুখুৰীত অৱস্থিত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ নিকটৱৰ্তী অঞ্চলত অৱস্থিত নিম্ন প্ৰাথমিক বিদ্যালয়সমূহত সমীক্ষা কৰি এই প্ৰতিবেদনখন প্ৰস্তুত কৰা হৈছে। এই ক্ষেত্ৰভিত্তিক অধ্যয়নত মুখ্য উৎস আৰু গৌণ উৎসৰ পৰা তথ্য আহৰণ কৰা হৈছে, নিৰ্বাচিত বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক মুখ্য উৎস হিচাপে গণ্য কৰা হৈছে। সেইদৰে গৌণ উৎস হিচাপে কিতাপ, প্ৰাথমিক শিক্ষা সম্পৰ্কীয় জাৰ্নেল গ্ৰন্থ আৰু ইণ্টাৰনেট মাধ্যম ব্যৱহাৰ কৰা হৈছে।

উক্ত অধ্যয়ন কৰিবলৈ নিতাইপুখুৰীৰ কাষৰীয়া অঞ্চলে আঁহুৰি ১০খন নিম্ন প্ৰাথমিক বিদ্যালয় নিৰ্বাচন কৰি লোৱা হৈছে। প্ৰতিখন বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা তলৰ তালিকাত উল্লেখ কৰা হ'ল।

## তালিকা নং - ১

### ক্ষেত্ৰভিত্তিক অধ্যয়নত অন্তৰ্ভুক্ত কৰা নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যাৰ তালিকা

| ক্ৰমিক নং | বিদ্যালয়ৰ নাম | Clusterৰ নাম | শিক্ষকৰ সংখ্যা | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|---|---|---|
| ১ | নিতাইপুখুৰী মাধ্যমিক বিদ্যালয় | নিতাইপুখুৰী | ৩ | ৪৫ |
| ২ | নাহৰনি বালিকা প্ৰাথমিক বিদ্যালয় | হালধিবাৰী | ২ | ১১ |
| ৩ | ১ নং নাহৰনি নাৰিত প্ৰাথমিক বিদ্যালয় | হালধিবাৰী | ২ | ২০ |
| ৪ | নিতাইপুখুৰী মজদুৰ প্ৰাথমিক বিদ্যালয় | নিতাইপুখুৰী | ৩ | ১৪ |
| ৫ | বগলীআমাৰ মধ্য ইংৰাজী বিদ্যালয় | নিতাইপুখুৰী | ৩ | ৬২ |
| ৬ | আমঘোলিয়া টুক প্ৰাথমিক বিদ্যালয় | নহাট-A | ১৯ | ৫৭ |
| ৭ | সৰুডেকা জয়ামতী মজলীয়া বিদ্যালয় | নহাট-A | ২ | ২৮ |
| ৮ | টেমেলী উচ্চ প্ৰাথমিক বিদ্যালয় | নহাট-A | ১১ | ২৬ |
| ৯ | লাবিজান প্ৰাথমিক বিদ্যালয় | শুকান পুখুৰী | ২ | ১৪ |
| ১০ | চকলা মধ্য অসমীয়া বিদ্যালয় | শুকান পুখুৰী | ৪ | ১৫ |

অধ্যয়নৰ কাৰণে প্ৰতিখন বিদ্যালয়ৰ পৰা ২জন বা ৩ জন শিক্ষক আৰু চাৰিগৰাকী ছাত্ৰ-ছাত্ৰী প্ৰতিদৰ্শ নমুনা হিচাপে নিৰ্বাচন কৰি লোৱা হৈছে। ক্ষেত্ৰভিত্তিক অধ্যয়নৰ নমুনা দলৰ তালিকা তলত উল্লেখ কৰা হ'ল।

তালিকা নং - ২

ক্ষেত্ৰভিত্তিক অধ্যয়নত সামৰি লোৱা প্ৰতিদৰ্শ/নমুনা দলৰ তালিকা

| ক্ৰমিক নং | বিদ্যালয়ৰ নাম | শিক্ষকৰ সংখ্যা | ছাত্ৰ ছাত্ৰীৰ সংখ্যা |
|---|---|---|---|
| ১ | নিতাইপুখুৰী মাধ্যমিক বিদ্যালয় | ৩ | ৪ |
| ২ | পদুমণি বালিকা প্ৰাথমিক বিদ্যালয় | ২ | ৪ |
| ৩ | ১ নং পদুমণি লাহিত প্ৰাথমিক বিদ্যালয় | ২ | ৪ |
| ৪ | নিতাইপুখুৰী মজদুৰ প্ৰাথমিক বিদ্যালয় | ২ | ৪ |
| ৫ | বগলী পথাৰ মধ্য ইংৰাজী বিদ্যালয় | ৩ | ৪ |
| ৬ | আতঘৰীহাবুক প্ৰাথমিক বিদ্যালয় | ৩ | ৪ |
| ৭ | সোণাৰী উচ্চ মাধ্যমিক বিদ্যালয় | ২ | ৪ |
| ৮ | গড়হেংগা জয়মতী বজলীয়া বিদ্যালয় | ৩ | ৪ |
| ৯ | পাৰিজাত প্ৰাথমিক বিদ্যালয় | ২ | ৪ |
| ১০ | চকলা মধ্য অসমীয়া বিদ্যালয় | ৩ | ৪ |

উক্ত গৱেষণাত অধ্যয়নকাৰীয়ে নিজে প্ৰস্তুত কৰা প্ৰশ্নসূচী (Questionnaire) ব্যৱহাৰ কৰা হৈছে। অধ্যয়নকাৰীয়ে প্ৰাথমিক শিক্ষাৰ গুণগত মানদণ্ড নিৰূপণৰ কাৰণে বিদ্যালয়ৰ তিনিটা দফাক লৈছে —

১/ বিদ্যায়তনিক আৰু সহ বিদ্যায়তনিক ক্ৰিয়াকলাপ,

২) বিদ্যালয়ৰ আন্তঃগাঁথনি তথা অন্যান্য সা-সুবিধাৰ উপলব্ধতা আৰু ব্যৱহাৰ,

৩) সমাজৰ অংশগ্ৰহণৰ বিষয়ে তিনিখন প্ৰশ্নসূচী প্ৰস্তুত কৰি নিৰ্বাচিত নিম্ন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলক প্ৰয়োগ কৰা।

সেইদৰে, ছাত্ৰ ছাত্ৰীৰ বিদ্যায়তনিক আৰু সহ বিদ্যায়তনিক দিশৰ মূল্যায়নৰ কাৰণে এখন প্ৰশ্নসূচী প্ৰস্তুত কৰা হৈছে। প্ৰতিটো বিদ্যালয়ত সৰ্বমুঠ ৪ খন প্ৰশ্নসূচী প্ৰয়োগ কৰা হৈছে।

5.0 অধ্যয়নৰ ফলাফল (Findings of the Study):

5.1. নিম্ন প্ৰাথমিক বিদ্যালয়ৰ বিদ্যায়তনিক আৰু সহবিদ্যায়তনিক দিশত ছাত্ৰ ছাত্ৰীৰ অগ্ৰগতি আৰু অংশগ্ৰহণ সম্পৰ্কে বিশ্লেষণ:

বিদ্যায়তনিক দিশ:

বিদ্যায়তনিক মূল্যায়নৰ বাবে নিম্ন প্ৰাথমিক পৰ্যায়ত আমাৰ লোৱা দক্ষতা/বিষয়সমূহ হৈছে — পঠন তথা লিখন (ভাষা — ১ম আৰু ২য়) আৰু গাণিতিক ভাষাৰ প্ৰশ্নকাকতসমূহৰ এনেধৰণৰ ভাষা — ১ (অসমীয়া/বাংলা/

বড়ো / মনিপুৰী / গাৰো / নেপালী , হিন্দী নাইবা ইংৰাজী)
ভাষা - ২ (ইংৰাজী, অসমীয়া, বাংলা, বড়োৰ ভিতৰত যিকোনো
এটা) , নম্বৰৰ বিভাজন এনেধৰণৰ -

তালিকা নং - ৩

| শ্ৰেণী | দক্ষতা | নম্বৰ | মুঠ নম্বৰ |
|---|---|---|---|
| ২য় - ৫ম | ভাষা - ১<br>পঠন -<br>লিখন - | <br>১০<br>১০ | ৫০ |
| | ভাষা - ২<br>পঠন -<br>লিখন - | <br>১০<br>১০ | |
| | সাংখ্যিক | ১০ | |

অধ্যয়নৰ বাবে নিৰ্বাচিত ২০খন বিদ্যালয়ে উৎসৱৰ
কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে আৰু উৎসৱত অংশগ্ৰহণ
কৰি উপকৃত হৈছে বুলি মত পোষণ কৰে ।

# তালিকা নং - ৪

বিদ্যাঞ্চলিক বিভাগ ২০১৭ আৰু ২০১৮ বৰ্ষৰ গুণোৎসৱত লাভ কৰা আখ্যাংকৰ ভিত্তিত নিম্ন প্ৰাথমিক বিদ্যালয়ৰ তালিকা

| ক্ৰমিক নং | বিদ্যালয়ৰ নাম | দক্ষতা | প্ৰাপ্ত নম্বৰ ২০১৭ বৰ্ষ | | | | প্ৰাপ্ত নম্বৰ ২০১৮ বৰ্ষ | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| | | | ২য় শ্ৰেণী | ৩য় শ্ৰেণী | ৪ৰ্থ শ্ৰেণী | ৫ম শ্ৰেণী | ২য় শ্ৰেণী | ৩য় শ্ৰেণী | ৪ৰ্থ শ্ৰেণী | ৫ম শ্ৰেণী |
| ১ | নিজৰইসুখুৰী প্ৰাথমিক বিদ্যালয় | পঠন লিখন আংশিক | ৯২% | ৯১.০২% | ৯০.৯৬% | ৯৩.২৪% | A+ | A+ | A+ | A+ |
| ২ | চাইমাৰি বালিকা প্ৰাথমিক বিদ্যালয় | পঠন লিখন আংশিক | ৯৮% | ৭২% | ৮৪% | ৮৮% | A+ | A+ | A+ | A+ |
| ৩ | ১ নং চাইমাৰি লাহতি প্ৰাথমিক বিদ্যালয় | পঠন লিখন আংশিক | ২৮.৩৪% | ৪০.৩৫% | ৬৬% | ৭৬.৩৪% | A | A | A | A |
| ৪ | নিজৰই খুটুৰী অধ্যক্ষ প্ৰাথমিক বিদ্যালয় | পঠন লিখন আংশিক | ৯১% | ৮৩% | — | ৭২% | ৭৭% | ৮৬% | ৭৮% | — |
| ৫ | বংশীধৰৰ স্মৃতি ইংৰাজী বিদ্যালয় | পঠন লিখন আংশিক | A+ | A+ | A+ | A+ | A+ | A+ | A+ | A+ |
| ৬ | স্বৰ্ণালী উচ্চ প্ৰাথমিক বিদ্যালয় | পঠন লিখন আংশিক | ৮৮.৯৬% | ৮৮.১৪% | ৮৮.৪০% | ৮৮.৬০% | ৯৭.০২% | ৯৮% | ৯৮.৬৮% | ৯১.২২ |
| ৭ | আদৰ্শ বিদ্যাপুৰ প্ৰাথমিক বিদ্যালয় | পঠন লিখন আংশিক | ১০০% | ৯৪.৬% | ৯৬% | ৯৭.৩৪% | ৯০% | ৯৬.৫২% | ৯৬.৫ | [illegible] |
| ৮ | আদিপুৰ প্ৰাথমিক বিদ্যালয় | পঠন লিখন আংশিক | ৮৪.৬% | ৬০.২৮% | ৯৬.৬৮% | ৭৪.৬% | ১০০% | ৯৯.৬২ | [illegible] | [illegible] |
| ৯ | [illegible] আদৰ্শ প্ৰাথমিক বিদ্যালয় | পঠন লিখন আংশিক | ৯৪.৪০% | ৯৩.৬৬% | ৯৭.৬২% | ৮৭.৯৮% | A+ | A+ | A+ | A+ |
| | | | | | | | ৯৩.৯২% (মুঠ প্ৰাপ্ত নম্বৰৰ গড়) | | | |
| ১০ | [illegible] আদৰ্শ প্ৰাথমিক বিদ্যালয় | পঠন লিখন আংশিক | — | ৬৮% | ৯০% | ৮৬% | ৯৬% | — | ৯৮% | ৯৮% |

উপৰোক্ত তালিকাৰ পৰা দেখা গৈছে যে বিদ্যায়তনিক দিশত নিৰ্বাচিত সৰহ সংখ্যক বিদ্যালয়ে ২০১৭ বৰ্ষৰ গুণোৎসৱত প্ৰাপ্ত নম্বৰৰ তুলনাত ২০১৮ বৰ্ষৰ গুণোৎসৱত উন্নত ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে, নিৰ্বাচিত বিদ্যালয়ৰ ২ খন বিদ্যালয়ে ২০১৮ বৰ্ষৰ গুণোৎসৱত A গ্ৰেড (৭৩.৫০% – ৮৬.৪৯) আৰু বাকী ৮ খন বিদ্যালয়ে A+ গ্ৰেড (৮৬.৫০% – ১০০%) লাভ কৰিবলৈ সক্ষম হৈছে অৰ্থাৎ বিদ্যায়তনিক ক্ষেত্ৰত ছাত্ৰ ছাত্ৰীসকলে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে।

সহ- বিদ্যায়তনিক দিশ :

শিশুৰ সৰ্বাংগীণ বিকাশত সহ বিদ্যায়তনিক ক্ৰিয়া-কলাপে এক গুৰুত্বপূৰ্ণ ভূমিকা লয়, সহ বিদ্যায়তনিক দিশৰ অন্তৰ্গত ক্ৰিয়া কলাপসমূহ এনে ধৰণৰ প্ৰাতঃসভা ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় দিৱস পালন, বাৰ্ষিক বিদ্যালয় সপ্তাহ/খেল-ধেমালি, কলা শিক্ষা, পুথিভঁৰালৰ পুথিৰ ব্যৱহাৰ ছাত্ৰ সদন, বৃক্ষৰোপণ, স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা, শিশুৰ বৃত্তিগত আৰু আধ্যাত্মিক দক্ষতা আদি।

তালিকা নং– ৩

সহবিদ্যায়তনিক দিশত ২০১৭ আৰু ২০১৮ বৰ্ষৰ গুণোৎসৱত লাভ কৰা প্ৰাপ্তাংকৰ ভিত্তিত নিম্ন প্ৰাথমিক বিদ্যালয়ৰ মুঠ সংখ্যাৰ তালিকা

| | সূচক | সন্তোষজনক | | মধ্যমীয়া | | দুৰ্বল | |
|---|---|---|---|---|---|---|---|
| | | ২০১৭ | ২০১৮ | ২০১৭ | ২০১৮ | ২০১৭ | ২০১৮ |
| ১ | প্ৰাতঃ সভাত অংশগ্ৰহণ | ১০ | ১০ | ০ | ০ | ০ | ০ |
| ২ | জাতীয় সংগীত পৰিৱেশন | ১০ | ১০ | ০ | ০ | ০ | ০ |
| ৩ | তথ্য সংৰক্ষণ | ৮ | ৯ | ২ | ১ | ০ | ০ |
| ৪ | ছাত্ৰ সদন | ৯ | ১০ | ১ | ০ | ০ | ০ |
| ৫ | খেল / সংগীত / কলা শিক্ষা স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাত অংশগ্ৰহণ | ১০ | ১০ | ০ | ০ | ০ | ০ |

উক্ত তালিকাৰ পৰা দেখা পোৱা গ'ল যে নিম্ন প্ৰাথমিক বিদ্যালয় সমূহৰ সহবিদ্যায়তনিক দিশত নিৰ্ধাৰিত পাঁচটা সূচকৰ ক্ষেত্ৰত ২০১৭ আৰু ২০১৮ বৰ্ষত অনুষ্ঠিত গুণোৎসৱত বিদ্যালয় সমূহৰ ফলাফল প্ৰায় একে যদিও দুটামান সূচকৰ ক্ষেত্ৰত পাৰ্থক্য দেখা যায়, অৰ্থাৎ ফলাফলৰ পৰা দেখা গ'ল যে প্ৰাতঃ সভাত অংশগ্ৰহণ, জাতীয় সংগীত পৰিৱেশন, খেল / সংগীত / কলা শিক্ষা / স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাত অংশগ্ৰহণৰ ক্ষেত্ৰত

২০১৭ বৰ্ষৰ গুণোৎসৱৰ ফলাফলে আৰু ২০১৮ বৰ্ষৰ গুণোৎসৱৰ ফলাফল সন্তোষজনক অৰ্থাৎ একে হোৱা দেখা যায়। আনহাতে তথ্য সংগ্ৰহণ আৰু ছাত্ৰ-সাদনৰ ক্ষেত্ৰত ২০১৮ বৰ্ষত অনুষ্ঠিত গুণোৎসৱত নিৰ্বাচিত বিদ্যালয়ৰ এমন বিদ্যালয়ে মধ্যমীয়া অৱস্থাৰ পৰা সন্তোষজনক অৱস্থালৈ উন্নীত হবলৈ সক্ষম হয়।

ছাত্ৰ-ছাত্ৰীয়ে প্ৰদান কৰা তথ্যসমূহ :-

* ৪০ জন ছাত্ৰ-ছাত্ৰীয়ে মত পোষণ কৰে যে তেওঁলোকে বিদ্যালয়লৈ আহি ভাল পায়। ৪০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ২৯ জন ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি ভাল পায়, ৬ জন ছাত্ৰ-ছাত্ৰীয়ে খেলি ভাল পায়, ৩ জন ছাত্ৰ-ছাত্ৰীয়ে আৰ্হলা কৰি ভাল পায় আৰু ১ জন ছাত্ৰই লিখি ভাল পায়।

* ৪০ জন ছাত্ৰ-ছাত্ৰীয়ে মতপোষণ কৰে যে তেওঁলোকে খেল ধেমালিত যোগদান কৰে।

* ৪০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৩৮ জন ছাত্ৰ-ছাত্ৰীয়ে সাধু পুথি, জীৱনী বিজ্ঞানৰ কাৰ্যসূচী পঢ়ি ভাল পায় বাকী ২জন ছাত্ৰ ছাত্ৰীয়ে মতপোষণ কৰে যে তেওঁলোকে সাধু-পুথি, জীৱনী, বিজ্ঞানৰ কাৰ্যসূচী ভাল নাপায়,

* ৪০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ২৬ জন ছাত্ৰ-ছাত্ৰীয়ে মতপোষণ কৰে যে বিভিন্ন বিষয়ৰ প্ৰকল্প প্ৰস্তুত কৰি পাইছে বাকী ১৪ জন ছাত্ৰ ছাত্ৰীয়ে বিভিন্ন বিষয়ৰ প্ৰকল্প প্ৰস্তুত কৰি পোৱা নাই।

5.2 নিম্ন প্ৰাথমিক বিদ্যালয়ৰ আন্তঃগাঁথনি আৰু অন্যান্য সা-সুবিধাৰ উপলব্ধতা আৰু ব্যৱহাৰৰ সম্পৰ্কে বিশ্লেষণ :-

নিতাইপুখুৰী কাষবীয়া অঞ্চলৰ নিৰ্বাচিত নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ সকলো বিদ্যালয়ৰ আন্তঃগাঁথনি আৰু অন্যান্য সা-সুবিধাৰ উপলব্ধতা আৰু ব্যৱহাৰৰ যেনে নিৰাপদ খোৱা পানীৰ সুবিধা, শ্ৰেণীকোঠাৰ সুবিধা, চৌহদৰ নিৰাপত্তা আৰু চাফ-চিকুণতা, দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰস্তুতি আৰু মধ্যাহ্ন ভোজনৰ বিষয়ে অধ্যয়ন কৰা হৈছে, এই বিদ্যালয়সমূহ সুচাৰুৰূপে পৰিচালিত হয় আৰু সকলো বিদ্যালয়তে এইসমূহ উপলব্ধতা দেখা পোৱা যায়, খোৱা পানীৰ কাৰণে দমকল, টেপ আদিৰ সুবিধা আছে। ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে শিক্ষাগ্ৰহণ কৰিবলৈ ভাল শ্ৰেণীকোঠা দেখা পোৱা যায়। বিদ্যালয়সমূহে নিজৰ বিদ্যালয়ৰ সুস্থ পৰিবেশ বজাই ৰাখিবৰ বাবে পকী বেৰা নিৰ্মাণ কৰি বিদ্যালয়ৰ চৌপাশ চাফ চিকুণকৈ ৰখা দেখা পোৱা যায়, হঠাৎ হব পৰা দুৰ্যোগৰ বাবে বিভিন্ন ধৰণৰ ব্যৱস্থা হাতত লোৱা দেখা যায়. যেনে, শিক্ষাৰ্থীক দুৰ্যোগৰ পৰা কেনেকৈ ৰক্ষা পাব পাৰি তাৰ বাবে শিক্ষা প্ৰদান কৰি উপকৃত কৰা হয়, বিদ্যালয়ত থাকোঁতে যাতে ছাত্ৰ-ছাত্ৰীয়ে ভোকত থাকি শিক্ষা গ্ৰহণ কৰিব নালাগে তাৰ বাবে মধ্যাহ্ন ভোজনৰ ব্যৱস্থাৰ উপলব্ধতা প্ৰত্যেক বিদ্যালয়তে দেখা পোৱা যায়।

বিদ্যালয় আন্তঃগাঁথনি আৰু অন্যান্য সা-সুবিধাৰ উপলব্ধতা আৰু ব্যৱহাৰ ভিত্তিত বিদ্যালয়সমূহৰ ২০১৭ আৰু ২০১৮ শিক্ষাবৰ্ষত গুণোৎসৱত লাভ কৰা ফলাফল তলৰ তালিকাৰ সহায়ত ব্যাখ্যা কৰা হ'ল।

## তালিকা নং - ৬

আন্তঃগাঁথনি আৰু অন্যান্য সা-সুবিধাৰ উপলব্ধতা আৰু ব্যৱহাৰৰ ক্ষেত্ৰত ২০১৭ আৰু ২০১৮ বৰ্ষৰ গুণোৎসৱত লাভ কৰা আংকৰ ভিত্তিত নিম্ন প্ৰাথমিক বিদ্যালয়ৰ মুঠ সংখ্যাৰ তালিকা

| ক্ৰমিক নং | সূচক | সন্তোষজনক | | মধ্যমীয়া | | দুৰ্বল | |
|---|---|---|---|---|---|---|---|
| | | ২০১৭ | ২০১৮ | ২০১৭ | ২০১৮ | ২০১৭ | ২০১৮ |
| ১ | নিৰাপদ খোৱা পানীৰ সুবিধা | ১০ | ১০ | ০ | ০ | ০ | ০ |
| ২ | শ্ৰেণী কোঠাৰ সুবিধা | ৯ | ৯ | ১ | ১ | ০ | ০ |
| ৩ | শৌচাগাৰৰ নিৰাপত্তা আৰু চাফ চিকুনতা | ৯ | ৯ | ১ | ১ | ০ | ০ |
| ৪ | দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰস্তুতি | ৫ | ৭ | ৫ | ৩ | ০ | ০ |
| ৫ | মধ্যাহ্ন ভোজন | ১০ | ১০ | ০ | ০ | ০ | ০ |

উক্ত তালিকাৰ পৰা দেখা গ'ল যে নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ আন্তঃগাঁথনি আৰু অন্যান্য সা-সুবিধাৰ উপলব্ধতা আৰু ব্যৱহাৰৰ অধ্যয়নৰ কাৰণে নিৰ্ধাৰিত পাঁচটা সূচকৰ ক্ষেত্ৰত ২০১৭ আৰু ২০১৮ বৰ্ষত অনুষ্ঠিত গুণোৎসৱত প্ৰতিখন বিদ্যালয়ৰ ফলাফলৰ পাৰ্থক্য আছে। অধ্যয়নৰ ফলাফলৰ পৰা দেখা গ'ল যে শ্ৰেণীকোঠাৰ সুবিধা ২০১৭ বৰ্ষত এখন বিদ্যালয়ৰ ফলাফল মধ্যমীয়া অৱস্থাৰ পৰা ২০১৮ বৰ্ষত সন্তোষজনক অৱস্থালৈ উন্নত হৈছে আৰু অন্য এখন বিদ্যালয়ৰ ফলাফলত ২০১৭ চনৰ সন্তোষজনকৰ পৰিবৰ্তে ২০১৮ চনত মধ্যমীয়া পোৱা গৈছে। সেইদৰে ৩খন বিদ্যালয়ৰ দুৰ্যোগ ব্যৱস্থাপনা ২০১৭ বৰ্ষৰ মধ্যমীয়া অৱস্থাৰ পৰা ২০১৮ চনত সন্তোষজনক ফল লাভ কৰিছে আৰু অন্য এখন বিদ্যালয়ৰ সন্তোষজনকৰ পৰা মধ্যমীয়া অৱস্থা পোৱা গৈছে। আনহাতে, নিৰাপদ খোৱা পানীৰ সুবিধা, শৌচাগাৰৰ নিৰাপত্তা ও চাফ-চিকুনতা আৰু মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰত প্ৰতিখন বিদ্যালয়ে দুয়োটা শিক্ষাবৰ্ষৰ মূল্যায়নত একে ফলাফল লাভ কৰা তথ্য পোৱা গৈছে।

## ৮.৩ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ সমাজৰ অংশগ্ৰহণ সম্পৰ্কে বিশ্লেষণ ঃ

নিতাইপুখুৰী- কাথবীয়া অঞ্চলৰ নিৰ্বাচিত নিম্ন প্ৰাথমিক বিদ্যালয় সমূহৰ সকলো বিদ্যালয়তে পৰিচালনা সমিতি আছে আৰু প্ৰতিমন বিদ্যালয়তে পৰিচালনা সমিতিয়ে প্ৰতিমাহতে এখন সভা অনুষ্ঠিত কৰি আহিছে। পৰিচালনা সমিতিয়ে বিদ্যালয়ৰ উন্নয়নৰ কাৰণে বিভিন্ন গঠনমূলক কাম কৰি আহিছে। তেওঁলোকৰ প্ৰধান কৰ্মসমূহ হৈছে বিদ্যালয়ৰ চৌহদত স্থায়ী বেৰা নিৰ্মাণ কৰা, বিদ্যালয় গৃহৰ সাজিয়া মেৰামতি কৰা, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা, বিদ্যালয়ত আয়োজিত বিভিন্ন অনুষ্ঠানত সহযোগিতামূলক অংশ গ্ৰহণ, শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰা, শৃংখলাবদ্ধতা অটুট ৰখা, স্থানীয় সফল ব্যক্তিক আমন্ত্ৰণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক সহ-পাঠ্যক্ৰমিক দিশত আগবঢ়াই নিয়াৰ পৰিকল্পনা গ্ৰহণ, অন্তঃ সাঁথলি তদাৰক কৰা ইত্যাদি।

বিদ্যালয় পৰিচালনা সমিতিৰ কাৰ্যকলাপ, অংশ গ্ৰহণ আৰু সমাজৰ অৱদানৰ ভিত্তিত বিদ্যালয়সমূহৰ ২০১৭ আৰু ২০১৮ শিক্ষাবৰ্ষত গুণোৎসৱত লাভ কৰা ফলাফলসমূহ তলৰ তালিকাত সন্নিবিষ্ট ব্যাখ্যা কৰা হ'ল।

তালিকা নং - ৭

সমাজৰ অংশগ্ৰহণৰ ক্ষেত্ৰত ২০১৭ আৰু ২০১৮ বৰ্ষৰ গুণোৎসৱত লাভ কৰা ফলাফলৰ ভিত্তিত নিম্ন প্ৰাথমিক বিদ্যালয়ৰ মুঠ সংখ্যাৰ তালিকা-

| ক্ৰমিক নং | সূচক | সন্তোষজনক | | মধ্যমীয়া | | দুৰ্বল | |
|---|---|---|---|---|---|---|---|
| | | ২০১৭ | ২০১৮ | ২০১৭ | ২০১৮ | ২০১৭ | ২০১৮ |
| ১ | বিদ্যালয় পৰিচালনা সমিতিৰ বিদ্যালয় ক্ৰিয়াকলাপত অংশগ্ৰহণ | ১০ | ১০ | ০ | ০ | ০ | ০ |
| ২ | বিদ্যালয় পৰিচালনা সমিতিৰ দ্বাৰা বিদ্যালয়ৰ কাৰ্যৰ নিৰীক্ষণ | ১০ | ১০ | ০ | ০ | ০ | ০ |
| ৩ | সমাজৰ অৱদান | ৮ | ৮ | ২ | ১ | ০ | ১ |

## 6.0 সামৰণি :

প্ৰাথমিক শিক্ষা হৈছে আনুষ্ঠানিক শিক্ষাৰ ভেটিস্বৰূপ। প্ৰাথমিক শিক্ষাক বৰ্তমান সময়ৰ শিক্ষা ব্যৱস্থাৰ প্ৰথম আৰু মূল ভেটি বুলি ক'ব পাৰি। ভাৰতবৰ্ষত ৬ বছৰ বয়সৰ পৰা ১৩-১৪ বছৰ বয়সৰ ল'ৰা ছোৱালীৰ বাবে প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। পৃথিৱীৰ প্ৰায়বোৰ দেশতে ৬ বছৰৰ পৰা ১৪-১৫ বছৰ বয়সলৈকে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন, বিনামূলীয়া আৰু বাধ্যতামূলক কৰা দেখা গৈছে। সমাজত বৰ্তি থকা অজ্ঞতা, ঠেক মনোভাৱ আৰু অন্ধবিশ্বাস দূৰ কৰি সমাজত বৰ্তি থকা ৰক্ষণশীল মনোভাৱ, ছোৱালী শিক্ষাৰ প্ৰতি থকা বৈষম্যমূলক মনোভাৱ, শিশুক উপাৰ্জনৰ কামত নিয়োগ কৰা আদি সমস্যা সমাধান কৰি দেশৰ নিৰক্ষৰতা নিৰ্মূল কৰি দেশৰ প্ৰতিজন শিশুকে একো একোজন সুস্থ আৰু সচেতন নাগৰিক হিচাপে গঢ়ি তুলিবৰ বাবে ছাত্ৰ-ছাত্ৰীৰ বাবে বৰ্তমান সময়ত প্ৰাথমিক শিক্ষাৰ অতিকৈ প্ৰয়োজন। প্ৰাথমিক শিক্ষাৰ দ্বাৰা ল'ৰা-ছোৱালীৰ সুস্থ শাৰীৰিক বিকাশ সাধন কৰা হয়।

নিতাইপুখুৰী কাষৰীয়া অঞ্চলৰ নিৰ্বাচিত নিম্ন প্ৰাথমিক শিক্ষাৰ বিদ্যালয়সমূহৰ শিক্ষা প্ৰদানৰ ক্ষেত্ৰত কিমান আগবাঢ়ি গৈছে তাক জানিবৰ বাবে এই অধ্যয়ন কৰা হৈছিল, বিদ্যালয় বিলাকত উপাংশসমূহ উদ্ঘাটন কৰাৰ বাবে কিছু পিছপৰা আৰু অৱহেলিত বিদ্যালয় উন্নত হোৱা দেখা গৈছে। বিদ্যায়তনিক দিশত বিদ্যালয়সমূহে প্ৰথম বৰ্ষৰ উপাংশসমূহ লগতে ২০১৭ বৰ্ষৰ তুলনাত ২০১৮ বৰ্ষৰ উপাংশসমূহৰ ফলাফল সমূহ হাৰেই উন্নত হোৱা দেখা গৈছে। আদি অধ্যয়ন কৰা নিতাইপুখুৰী কাষৰীয়া অঞ্চলৰ নিৰ্বাচিত নিম্ন প্ৰাথমিক বিদ্যালয়সমূহ বিদ্যায়তনিক দিশ বিদ্যালয়ৰ আন্তঃগাঁথনি আৰু অন্যান্য সা-সুবিধা উপলব্ধতা আৰু ব্যৱহাৰ দিশ, পৰিচালনা সমিতিৰ সচেতনতা আৰু উন্নয়ন আৰু বিদ্যালয়ৰ সমাজৰ প্ৰতি [illegible] ২০১৭ বৰ্ষৰ তুলনাত ২০১৮ বৰ্ষ কিছু বেছি উন্নত হৈছে।

# সহায়ক গ্ৰন্থপঞ্জী


১/ চলিহা, বেদকুমাৰ, তৰুণ শইকীয়া, আৰু ৰুণু বৰা শইকীয়া (২০১২) স্নাতক মহলাৰ শিক্ষাৰ সমসাময়িক ধাৰা, যোৰহাট, বিদ্যাভৱন।

২/ চলিহা, বেদকুমাৰ, তৰুণ শইকীয়া আৰু ৰুণু বৰা শইকীয়া (২০১৬) ভাৰতীয় শিক্ষাত নৱ-পৰিক্ৰমা, যোৰহাট: বিদ্যাভৱন।

৩/ শইকীয়া, তৰুণ আৰু ৰুণু বৰা শইকীয়া (২০১৬) স্নাতক মহলাৰ প্ৰাথমিক পৰ্যায়ৰ শিক্ষাদানৰ বুনিয়াদ, যোৰহাট: বিদ্যাভৱন,

৪) শিক্ষা (প্ৰাথমিক) বিভাগ, অসম চৰকাৰ, গুণোৎসৱ: অসম ২০১৮, মূল্যায়ন নিৰ্দেশনা, দ্বিতীয় পৰ্যায়, গুৱাহাটী।

৫) শইকীয়া, তৰুণ, ৰুণু বৰা শইকীয়া (২০১০), স্নাতক মহলাৰ শৈক্ষিক ব্যৱস্থাপনা, যোৰহাট: বিদ্যাভৱন।




বালিকা প্ৰাথমিক বিদ্যালয়




স্থাপিত-১৯৭২ চন ।



# প্ৰশ্নাৱলী ঃ

**বিদ্যালয়ৰ তথ্য ঃ**

১। বিদ্যালয়ৰ নাম ঃ

২। শিক্ষাখণ্ড ঃ

৩। জিলা ঃ

**শিক্ষক-শিক্ষয়িত্ৰীৰ তথ্যঃ**

১। শিক্ষক-শিক্ষয়িত্ৰীৰ নাম ঃ

২। বয়স ঃ

৩। লিংগ ঃ

৪। শিক্ষাগত অৰ্হতা ঃ

৫। শিক্ষাদানৰ অভিজ্ঞতা ঃ

১। আপোনাৰ বিদ্যালয়ে গুণোৎসৱত অংশগ্ৰহণ কৰিছে নে ?

২। গুণোৎসৱত অংশগ্ৰহণ কৰি আপুনি উপকৃত হৈছে নে ?

৩। বিদ্যায়তনিক ক্ষেত্ৰত ২০১৭ বৰ্ষৰ গুণোৎসৱত লাভ কৰা প্ৰাপ্তাংক

| দক্ষতা | প্ৰাপ্ত নম্বৰ | | | |
|---|---|---|---|---|
| | দ্বিতীয় শ্ৰেণী, | তৃতীয় শ্ৰেণী, | চতুৰ্থ শ্ৰেণী, | পঞ্চম শ্ৰেণী |
| (i) পঠন দক্ষতা ঃ | | | | |
| ভাষা - ১ | | | | |
| ভাষা - ২ | | | | |
| (ii) লিখন দক্ষতা ঃ | | | | |
| ভাষা - ১ | | | | |
| ভাষা - ২ | | | | |
| (iii) সাংখ্যিক দক্ষতা ঃ | | | | |

৪। বিদ্যায়তনিক ক্ষেত্ৰত ২০১৮ বৰ্ষৰ গুণোৎসৱত লাভ কৰা প্ৰাপ্তাংক

| দক্ষতা | প্ৰাপ্ত নম্বৰ | | | |
|---|---|---|---|---|
| | দ্বিতীয় শ্ৰেণী, | তৃতীয় শ্ৰেণী, | চতুৰ্থ শ্ৰেণী, | পঞ্চম শ্ৰেণী |
| (i) পঠন দক্ষতা ঃ | | | | |
| ভাষা - ১ | | | | |
| ভাষা - ২ | | | | |
| (ii) লিখন দক্ষতা ঃ | | | | |
| ভাষা - ১ | | | | |
| ভাষা - ২ | | | | |
| (iii) সাংখ্যিক দক্ষতা ঃ | | | | |

৫। সহঃবিদ্যায়তনিক ক্ষেত্ৰত ২০১৭ বৰ্ষৰ গুণোৎসৱত লাভ কৰা প্ৰাপ্তাংক

| সূচক | বিৱৰক |
|---|---|
| (i) প্ৰাতঃসভাত অংশগ্ৰহণ | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |
| (ii) জাতীয় সংগীত পৰিৱেশন | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |
| (iii) তথ্য সংৰক্ষণ | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |
| (iv) ছাত্ৰ সদন | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |
| (v) খেল/সংগীত/কলা/শিক্ষা/ স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাত অংশগ্ৰহণ | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |

৬। সহঃবিদ্যায়তনিক ক্ষেত্ৰত ২০১৮ বৰ্ষৰ গুণোৎসৱত লাভ কৰা প্ৰাপ্তাংক

| সূচক | বিৱৰক |
|---|---|
| (i) প্ৰাতঃসভাত অংশগ্ৰহণ | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |
| (ii) জাতীয় সংগীত পৰিৱেশন | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |
| (iii) তথ্য সংৰক্ষণ | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |
| (iv) ছাত্ৰ সদন | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |
| (v) খেল/সংগীত/কলা/শিক্ষা/ স্বাস্থ্য আৰু শাৰীৰিক শিক্ষাত অংশগ্ৰহণ | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |

তথ্য সংগ্ৰহকাৰীৰ চহী

তথ্য দানকাৰীৰ চহী

# প্ৰশ্নাৱলী ঃ

**বিদ্যালয়ৰ তথ্য ঃ**

১। বিদ্যালয়ৰ নাম ঃ

২। শিক্ষাখণ্ড ঃ

৩। জিলা ঃ

**শিক্ষক-শিক্ষয়িত্ৰীৰ তথ্যঃ**

১। শিক্ষক-শিক্ষয়িত্ৰীৰ নাম ঃ

২। বয়স ঃ

৩। লিংগ ঃ

৪। শিক্ষাগত অৰ্হতা ঃ

৫। শিক্ষাদানৰ অভিজ্ঞতা ঃ

১। আপোনাৰ বিদ্যালয়ত বিদ্যালয় পৰিচালনা সমিতি আছে নে ? আছে/নাই

২। বিদ্যালয় পৰিচালনা সমিতিৰ মাহত কমেও এখনকৈ সভা অনুষ্ঠিত হয়নে ? হয়/নহয়

৩। বিদ্যালয়ৰ উন্নয়নত বিদ্যালয় পৰিচালনা সমিতিয়ে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নে ? কৰিছে/নাই কৰা।

(i)

(ii)

(iii)

৪। সমাজৰ অংশগ্ৰহণৰ ক্ষেত্ৰত ২০১৭ বৰ্ষৰ গুণোৎসৱত লাভ কৰা প্ৰাপ্তাংক

| সূচক | বিৱৰক |
|---|---|
| (i) বিদ্যালয় পৰিচালনা সমিতিৰ বিদ্যালয় ক্ৰিয়াকলাপত অংশগ্ৰহণ | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |
| (ii) বিদ্যালয় পৰিচালনা সমিতিৰ দ্বাৰা বিদ্যালয়ৰ কাৰ্যৰ নিৰীক্ষণ | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |
| (iii) সমাজৰ অৱদান | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |

৫। সমাজৰ অংশগ্ৰহণৰ ক্ষেত্ৰত ২০১৮ বৰ্ষৰ গুণোৎসৱত লাভ কৰা প্ৰাপ্তাংক

| সূচক | বিৱৰক |
|---|---|
| (i) বিদ্যালয় পৰিচালনা সমিতিৰ বিদ্যালয় ক্ৰিয়াকলাপত অংশগ্ৰহণ | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |
| (ii) বিদ্যালয় পৰিচালনা সমিতিৰ দ্বাৰা বিদ্যালয়ৰ কাৰ্যৰ নিৰীক্ষণ | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |
| (iii) সমাজৰ অৱদান | সন্তোষজনক/মধ্যমীয়া/দুৰ্বল |

তথ্য সংগ্ৰহকাৰীৰ চহী

তথ্য দানকাৰীৰ চহী

# প্ৰশ্নাৱলী ঃ

**বিদ্যালয়ৰ তথ্য ঃ**

১। বিদ্যালয়ৰ নাম ঃ

২। শিক্ষাখণ্ড ঃ

৩। জিলা ঃ

**ছাত্ৰ-ছাত্ৰীৰ তথ্য ঃ**

১। ছাত্ৰ-ছাত্ৰীৰ নাম ঃ

২। শ্ৰেণী ঃ

৩। বয়স ঃ

৪। লিংগ ঃ

৫। ঠিকনা ঃ

১। বিদ্যালয়লৈ আহি তোমাৰ কেনেকুৱা লাগে?

২। বিদ্যালয়ৰ কি কথা তোমাৰ ভাল লাগে?

৩। তুমি খেল ধেমালিত যোগদান কৰি ভাল পোৱানে ?

৪। সাধু পুথি, জীৱনী, বিজ্ঞানৰ কাৰ্যপুথি পঢ়ি ভাল পোৱানে?

৫। বিদ্যালয়তনিক কাৰ্য প্ৰকল্প প্ৰস্তুত কৰি পাইছানে?

তথ্য সংগ্ৰহকাৰীৰ চহী

তথ্য দানকাৰীৰ চহী